**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::::**

জিলা প্ৰশাসন আৰু বন বিভাগে গোলাঘাট জিলাৰ ৰেংমা বনাঞ্চলৰ উৰিয়ামঘাটৰ এক নম্বৰ পিঠাঘাট আৰু ২ নম্বৰ পিঠাঘাট অঞ্চলত আজি পুনৰ উচ্চেদ অভিযান চলায়। অভিযানকালত প্ৰায় দুশটা ঘৰ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱৰ নেতৃত্বত এই অভিযান সম্পন্ন কৰা হয়। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্চেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে।

০০০০

শিলচৰৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্যই বৰাক উপত্যকাৰ পৰিবহন ব্যৱস্থাক অধিক উন্নত কৰাৰ বাবে দাবী জনাইছে। সাংসদগৰাকীয়ে আজি লোকসভাত অসামৰিক বিমান পৰিবহন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি শিলচৰ আৰু নতুন দিল্লীৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ কৰিবলৈ দাবী উত্থাপন কৰে। তেওঁ কয় যে শিলচৰ অসমৰ বাবেই নহয় বৰং মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়কে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ বাবেও যোগাযোগৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ কেন্দ্ৰ। প্ৰতিদিনে শিলচৰৰ পৰা দিল্লী আৰু দেশৰ অন্য প্ৰান্তলৈ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, ৰোগী, কৰ্মচাৰী আৰু ব্যৱসায়ীয়ে যাত্ৰা কৰে বুলি সাংসদগৰাকীয়ে দাবী কৰে। তেওঁ কয় যে শিলচৰ আৰু নতুন দিল্লীৰ মাজত পোনপটীয়া বিমান যাত্ৰা আৰম্ভ কৰিলে আঞ্চলিক যোগাযোগ অধিক শক্তিশালী হ'ব, যাত্ৰাৰ সময়ত হ্ৰাস পাব আৰু জনসাধাৰণৰ সুবিধা বৃদ্ধি হ'ব। উৰান প্ৰকল্পৰ লক্ষ্য পূৰণৰ ক্ষেত্ৰতো এই সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

বাইট

০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিকাচ কমিটিৰ এটা ৭ জনীয়া দলে আজি ধেমাজি জিলা ভ্ৰমণ কৰি জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। বিধায়ক নুৰুল হুদাৰ নেতৃত্বৰ দলটোৱে ধেমাজি উন্নয়ন খণ্ডত প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা, কৃষি উন্নয়ন আঁচনি, অট্টালিকা নিৰ্মাণ প্ৰকল্পকে ধৰি বিভিন্ন কাম-কাজৰ

পৰ্যালোচনা কৰে। তেওঁলোকে এই উন্নয়নমূলক কাম-কাজসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০

অসম গ্ৰামোন্নয়ন কেন্দ্ৰৰ উদ্যোগত আজি ডিব্ৰুগড়ত বিশ্ব শিশু সৰবৰাহ বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি এটা সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। ডিব্ৰুগড়ৰ বাণীপুৰ ৰে'লৱে ষ্টেচনত অনুষ্ঠিত কাৰ্যসূচীত ৰে'ল বিভাগৰ সুৰক্ষা বাহিনী, ৰে'লৱে পৰিসৰত চাহ বিক্ৰেতা, সহযোগী যান-বাহন পৰিচালক আৰু যাত্ৰীসকলক শিশু সৰবৰাহৰ ভয়াৱহতা সম্পৰ্কে জানিবলৈ দিয়া হয়। উপস্থিত লোকসকলক শিশু সৰবৰাহ চিনাক্তকৰণ, সৰবৰাহ ৰোধৰ বিভিন্ন উপায় সম্পৰ্কে জানিবলৈ দিয়াৰ লগতে এই সন্দৰ্ভত জৰুৰীকালীনভাৱে যোগাযোগ কৰিব পৰাকৈ ১০৯৮ আৰু ১৮০-১০২-২২২২ নম্বৰ সম্পৰ্কে অৱগত কৰা হয়।

০০০০

অসম বিশ্ববিদ্যালয়ত স্নাতক, স্নাতকোত্তৰ আৰু সংহত পাঠ্যক্ৰমৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰিছে। আজি পুৱাৰে পৰা বিশ্ববিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰত ছাত্ৰ সংগঠন, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বিশ্ববিদ্যালয়ৰ শাখাৰ লগতে বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। আন্দোলনৰত ছাত্ৰ-ছাত্ৰীসকলে কয়, যে বিভিন্ন পাঠ্যক্ৰমত কৰ্তৃপক্ষই এইবছৰ ৫০ শতাংশ মাচুল বৃদ্ধি কৰিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হৈছে।

০০০০

অসম বিশ্ববিদ্যালয়ত স্নাতক, স্নাতকোত্তৰ আৰু সংহত পাঠ্যক্ৰমৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰিছে। আজি পুৱাৰে পৰা বিশ্ববিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰত ছাত্ৰ সংগঠন, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বিশ্ববিদ্যালয়ৰ শাখাৰ লগতে বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। আন্দোলনৰত ছাত্ৰ-ছাত্ৰীসকলে কয়, যে বিভিন্ন পাঠ্যক্ৰমত কৰ্তৃপক্ষই এইবছৰ ৫০ শতাংশ মাচুল বৃদ্ধি কৰিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হৈছে।

০০০০

০০০০

সমাপ্ত